নং- আই.চি.ডি.এছ (এন.বি.এ)ই/পি.টি-৪/২০২৫/১০৩১

# বিজ্ঞাপন

ইয়াৰ দ্বাৰা সকলোৰে জ্ঞাতাৰ্থে জনোৱা যায় যে নাওবৈচা সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অধীনত খালী হৈ থকা অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদৰ বাবে কেন্দ্ৰ এলেকাৰ স্থানীয় মহিলা প্ৰাৰ্থীৰ পৰা আবেদন প্ৰ-পত্ৰ বিচৰা হৈছে। অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকাই স্বেচ্ছামূলক সেৱা আগবঢ়োৱাৰ বাবে চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত পাৰিতোষিক লাভ কৰিব।

প্ৰ-পত্ৰসমূহ অহা ইং ২১-০৬-২০২৫ তাৰিখৰ ভিতৰত কাৰ্যালয় খোলা থকা সময় দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজাৰ ভিতৰত দাখিল কৰিব পাৰিব।

**খালী পদৰ তালিকা**

| ক্ৰমিক নং | অঙ্গনৱাড়ী কেন্দ্ৰৰ নাম | পদৰ নাম | পঞ্চায়তৰ নাম | কেন্দ্ৰৰ চাৰিসীমা | মন্তব্য (সংৰক্ষিত/ অসংৰক্ষিত) |
|---|---|---|---|---|---|
| ১ | বালিজান | অঃ কৰ্মী | বি এম পি | পূঃ আব্দুল মালেক চুক<br>পঃ বুকানদী<br>উঃ ছিদ্দিক আলী চুক<br>দঃ ইউচুফ আলী চুক | অসংৰক্ষিত |
| ২ | পহুমৰা | অঃ কৰ্মী | পহুমৰা | পূঃ ৰঙানদী<br>পঃ আটি চুক<br>উঃ ডিজু কিমিন পথ<br>দঃ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ, পহুমৰা | অসংৰক্ষিত |
| ৩ | খনাজান আহোম | অঃ কৰ্মী | পহুমৰা | পূঃ ৰঙানদী মথাউৰি<br>পঃ চিলনীবাৰী আৰক্ষী চকী<br>উঃ ধেপাইজান দলং<br>দঃ থানেশ্বৰ গগৈৰ বাসগৃহ | অসংৰক্ষিত |
| ৪ | চুমনি | অঃ কৰ্মী | শিঙৰা | পূঃ উত্তৰ নাওবৈচা এছ চি অ কেন্দ্ৰ<br>পঃ ফুলবাৰী বস্তি অঃ কেন্দ্ৰ<br>উঃ উত্তৰ সুন্দৰী অঃ কেন্দ্ৰ<br>দঃ ইয়ুব ধানৰ বাসগৃহ | চাহ জনগোষ্ঠীৰ বাবে সংৰক্ষিত |
| ৫ | পহুমৰা | সহায়িকা | পহুমৰা | পূঃ ৰঙানদী<br>পঃ আটি চুক<br>উঃ ডিজু কিমিন পথ<br>দঃ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ, পহুমৰা | অসংৰক্ষিত |
| ৬ | দিখৌমুখীয়া | সহায়িকা | পহুমৰা | পূঃ ডিজু কিমিন পথ<br>পঃ দিখৌমুখীয়া (খ)<br>উঃ খনাজান আহোম গাঁও<br>দঃ ৰেলআলি | অসংৰক্ষিত |
| ৭ | ২নং ৰামপুৰ | সহায়িকা | ৰামপুৰ বগীবিল | পূঃ হাচেন আলী চুবুৰি<br>পঃ আঃ মালেক চুবুৰি<br>উঃ ধেপাইজান নলা<br>দঃ নুৰ হুছেইন চুবুৰি | অসংৰক্ষিত |
| ৮ | ২নং যোৰখাত বণিয়া | সহায়িকা | তেলাহী | পূঃ ই এন ডি মথাউৰি<br>পঃ গোসাঁইখাত গাঁৱৰ পথাৰ<br>উঃ ডাম্বুকীয়াল গাঁও ভদ্ৰেশ্বৰ চুবুৰি<br>দঃ জইনপুৰ আজাৰগুৰি পথ | অনুসূচিত জাতিৰ বাবে সংৰক্ষিত |
| ৯ | পানীগাঁও | সহায়িকা | পানীগাঁও | পূঃ নামঘৰ আৰু শ্ৰীমতী লিলী চেলেঙৰ বাসগৃহ<br>পঃ লক্ষী চি এল এফৰ কাৰ্যালয়<br>উঃ শ্ৰীযুত চিত্তৰঞ্জন কোচৰ বাসগৃহ<br>দঃ শ্ৰীমতী জুনু বৰুৱাৰ বাসগৃহ | অসংৰক্ষিত |
| ১০ | বৰালিমৰা | সহায়িকা | লুহিত খাবলু | পূঃ বৰালিমমৰা সোৱণশিৰি প্ৰাথমিক বিদ্যালয় আৰু বৰ্মন পেগুৰ বাসগৃহ<br>পঃ বৰালিমৰা নামনি অঃ কেন্দ্ৰ আৰু অমূল্য পেগুৰ বাসগৃহ<br>উঃ বৰালিমৰা প্ৰাথমিক বিদ্যালয়<br>দঃ বৰালিমৰা শান্তিপুৰ অঃ কেন্দ্ৰ আৰু মণি কুম্বাং বাসগৃহ | অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত |
| ১১ | ১১০/১০৭ নং গ্ৰাণ্ট | সহায়িকা | ডিজু | পূঃ ৰঙানদী<br>পঃ কিমিন পথ<br>উঃ ডিজু বাগান<br>দঃ ডিজু বজাৰ | চাহ জনগোষ্ঠীৰ বাবে সংৰক্ষিত |
| ১২ | কিমিন এক্স ক'লনী | সহায়িকা | ডিজু | পূঃ ৰঙানদী<br>পঃ আই টি বি পি কেম্প<br>উঃ আই টি বি পি কেম্প<br>দঃ ডিজু বাগান | অসংৰক্ষিত |
| ১৩ | এক্স মিলিটেৰী | সহায়িকা | ৰামপুৰ বগীবিল | পূঃ ৰাই লিম্বু গাঁও<br>পঃ শিঙৰা নদী<br>উঃ অৰুণাচল পাহাৰ<br>দঃ দেউৰী গাঁও | অসংৰক্ষিত |

**বিঃদ্ৰঃ আবেদন প্ৰ-পত্ৰ বন্ধ খামত জমা দিব লাগিব, লগতে খামৰ ওপৰত পদৰ নাম আৰু অঙ্গনৱাড়ী কেন্দ্ৰৰ নাম উল্লেখ কৰিব লাগিব।**

**বাধ্যতামূলক আৱশ্যকীয় আৰু শিক্ষাগত অৰ্হতা ঃ**

১। অঙ্গনৱাড়ী কৰ্মী/সহায়িকা পদৰ প্ৰাৰ্থী উল্লিখিত অঙ্গনৱাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ ভিতৰত অৱস্থিত স্থানীয় মহিলা হ'ব লাগিব।

২। অঙ্গনৱাড়ী কৰ্মী/সহায়িকা পদৰ প্ৰাৰ্থীৰ বাবে ০১-০১-২০২৫ চনত বয়স ১৮ বছৰৰ পৰা ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব।

৩। অঙ্গনৱাড়ী কৰ্মী পদৰ প্ৰাৰ্থীৰ বাবে ন্যূনতম শিক্ষাগত অৰ্হতা ক্ৰমে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ আৰু সহায়িকা পদৰ বাবে হাইস্কুল অথবা হাইমাদ্ৰাছা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব অথবা অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। সহায়িকা পদৰ বাবে যদিহে কেন্দ্ৰ এলেকাত হাইস্কুল শিক্ষান্ত অথবা সমপৰ্যায়ৰ উত্তীৰ্ণ প্ৰাৰ্থী নাথাকে, তেন্তে ন্যূনতম শিক্ষাগত অৰ্হতা নৱম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ প্ৰাৰ্থিত্ব বিবেচনা কৰা হ'ব।

৪। মহামান্য উচ্চতম ন্যায়ালয়ৰ কেছ নং - WP(c) No. 3409/2015 আৰু অসম মাধ্যমিক শিক্ষা পৰিষদৰ নং SEBA/AB/GOVT/1/2005/349 Dtd. 08.07.2015 মৰ্মে সকলোৰে জ্ঞাতাৰ্থে জনোৱা যায় যে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা BPP প্ৰমাণ পত্ৰ অসম মাধ্যমিক শিক্ষা পৰিষদে অনুষ্ঠিত কৰা HSLC/AHM পৰীক্ষাৰ সমপৰ্যায়ৰ বুলি গণ্য কৰা নহ'ব।

৫। অঙ্গনৱাড়ী কৰ্মী/সহায়িকাসকলৰ বাসস্থান সম্পৰ্কীয় প্ৰমাণ পত্ৰ স্থানীয় গাঁওবুঢ়া/ৱাৰ্ড মেম্বাৰ/গাঁও পঞ্চায়তৰ সভাপতিৰ দ্বাৰা প্ৰদান কৰিব লাগিব।

৬। অঙ্গনৱাড়ী কৰ্মী/সহায়িকা পদৰ বাবে HSLC/HSSLC/HMLC উত্তীৰ্ণ হোৱা নম্বৰৰ মেধাৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰা হ'ব।

৭। অঙ্গনৱাড়ী কৰ্মী/সহায়িকাৰ অৱসৰৰ বয়স ৬০ বছৰ হ'ব আৰু ৬০ বছৰ হোৱাৰ লগে লগেই উক্ত পদৰ পৰা অব্যাহতি পাব।

৮। শিশু উন্নয়ন প্ৰকল্প বিষয়াক নিৰ্বাচিত হোৱা অঙ্গনৱাড়ী কৰ্মী/সহায়িকাই স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ সন্মতি পত্ৰ প্ৰদান কৰিব লাগিব।

৯। অঙ্গনৱাড়ী কৰ্মী/সহায়িকা পদৰ বাবে আবেদন কৰা প্ৰাৰ্থীয়ে অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত চিকিৎসকৰ দ্বাৰা প্ৰদান কৰা সুস্থ শাৰীৰিক/মানসিক স্বাস্থ্য সম্পৰ্কীয় প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।

**আবেদনকাৰীয়ে আবেদন কৰা প্ৰ-পত্ৰৰ লগত প্ৰয়োজন অনুসাৰে তলত উল্লেখ কৰা স্বাক্ষৰিত প্ৰতিলিপি সংলগ্ন কৰি দিব লাগিব ঃ**

ঃ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ আৰু নম্বৰৰ তালিকা।
ঃ আবেদনকাৰীয়ে আবেদন কৰা সময়ত বসবাস কৰি থকা সেই অঞ্চলৰ প্ৰমাণ পত্ৰ।
ঃ আবেদনকাৰীৰ বয়সৰ প্ৰমাণ পত্ৰ।
ঃ চৰকাৰী চিকিৎসকৰ স্বাস্থ্য সম্পৰ্কীয় প্ৰমাণ পত্ৰ।
ঃ জাতিগত প্ৰমাণ পত্ৰ।
ঃ আবেদনকাৰীয়ে ব্যৱহাৰ কৰি থকা WhatsApp নম্বৰ লিখিতভাৱে আবেদন পত্ৰত দাখিল কৰিব লাগিব।

**তলত উল্লেখ কৰা কাৰণসমূহৰ বাবে কোনো আবেদনকাৰীৰ প্ৰাৰ্থিত্ব বাতিল হ'ব পাৰে ঃ**

ঃ প্ৰাৰ্থীৰ মানসিক অৱস্থা যদি সুস্থিৰ নহয়।
ঃ ভগ্নস্বাস্থ্য আৰু জটিল ৰোগত আক্ৰান্ত হয়।
ঃ বিদ্যালয় অথবা মহাবিদ্যালয়ত পঢ়ি থকা নিয়মীয়া ছাত্ৰী।
ঃ আদালতত ফৌজদাৰী গোচৰ চলি থকা আবেদনকাৰী।
ঃ আবেদনকাৰীয়ে আবেদন দাখিল কৰাৰ পাছত যদি কেন্দ্ৰ এলেকাৰ বাহিৰৰ অন্য অঞ্চললৈ স্থানান্তৰ হয়, তেন্তে তেখেতৰ প্ৰাৰ্থিত্ব গ্ৰহণযোগ্য নহ'ব।

**স্বা/- শিশু উন্নয়ন প্ৰকল্প বিষয়া**

**DIPR/D/AT/627/14-June-25** **নাওবৈচা সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, নাওবৈচা**

JobAssam.in